

একাদশ বছৰ ঃ চতুৰ্থ সংখ্যা ঃ এপ্ৰিল, ২০১৩
Vol. XI : 4th Issue : April, 2013





# বিজুলী BIJULEE

ASSAM STATE ELECTRICITY BOARD

## ASEB NEWS BULLETIN



BIJULEE
বিজুলী
ASEB NEWS BULLETIN

## অধ্যক্ষৰ কলম



অসম চৰকাৰে গ্ৰহণ কৰা এক কেবিনেট সিদ্ধান্ত মৰ্মে ২০১৩ চনৰ মাৰ্চত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ ভংগ কৰি দিয়া হৈছে আৰু পূৰ্বতে এই পৰিষদৰ ওপৰত ন্যস্ত বিদ্যুৎ উৎপাদন, প্ৰবহন আৰু বিতৰণৰ দায়িত্ব সম্পূৰ্ণভাৱে ইয়াৰ উত্তৰসূৰী তিনিটা প্ৰতিষ্ঠানক অৰ্পণ কৰা হৈছে।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ গৌৰবোজ্জ্বল যাত্ৰা আৰম্ভ হৈছিল ১৯৫৮ চনৰ ১ জুনত। সেই তাৰিখতে ১৯৪৮ চনৰ বিদ্যুৎ আইন অনুসৰি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (অ ৰা বি প) গঠন কৰা হৈছিল। অৱশ্যে অসমত বিদ্যুৎ উৎপাদন তথা বিতৰণৰ কাম ইয়াৰ বহু পূৰ্বে অসম ব্ৰিটিছৰ অধীনত থাকোঁতেই আৰম্ভ হৈছিল। ১৯৩০ৰ দশকৰ আগভাগত যোৰহাটত অসমৰ এজন সুযোগ্য সন্তান কাশীনাথ শইকীয়াই অসমৰ ভিতৰতে প্ৰথমটো বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপন কৰিছিল। তাৰ পাছত অসমৰ নানা ঠাইত ব্যক্তিগত খণ্ডৰ ডিজেল চালিত বিদ্যুৎ কেন্দ্ৰ স্থাপন কৰা হৈছিল আৰু এই বিদ্যুৎ সীমিত অঞ্চলৰ সীমিত গ্ৰাহকক যোগান ধৰা হৈছিল। অ ৰা বি প গঠন হোৱাৰ পাছত এই পৰিষদে ব্যক্তিগত খণ্ডৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰসমূহ অধিগ্ৰহণ কৰে আৰু সেই বিদ্যুতৰ উৎপাদন-বিতৰণৰ লগত জড়িত কৰ্মচাৰীসকলৰ দায়িত্ব গ্ৰহণ কৰে। অ ৰা বি প গঠন হোৱাৰ পাছত এই পৰিষদে বৰ্তমানৰ অসমৰ উপৰিও মেঘালয়, মিজোৰাম আদি অঞ্চলতো বিদ্যুৎ যোগানৰ দায়িত্ব লৈছিল। ১৯৭৫ চনত মেঘালয় ৰাজ্য সৃষ্টি হোৱাৰ পাছত অ ৰা বি পই উমট্ৰু, সুমেৰ, বৰাপানী আদি জলবিদ্যুৎ কেন্দ্ৰ আৰু নাঙলবিব্ৰাৰ প্ৰস্তাৱিত কয়লাভিত্তিক গেছ উৎপাদন কেন্দ্ৰ মেঘালয়ক গটাই দিবলগীয়া হয় আৰু নিজাববীয়া বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত অভাৱনীয় সমস্যাৰ সমুখীন হয়। অৱশ্যে অ ৰা বি পই নিজাববীয়া প্ৰচেষ্টাৰে সেই সমস্যা আৰু লগতে সময়ৰ সোঁতত সমুখত আহি পৰা অন্যান্য সমস্যাবোৰ জোৰা মাৰিবলৈ চেষ্টা কৰি আহিছে। 'বিদ্যুৎ আইন ১৯৪৮'ৰ পাছত ১৯৭৬, ১৯৭৮ আৰু ১৯৮৩ চনত এই আইনৰ সংশোধন কৰা হৈছিল। শেহতীয়াকৈ সেই সকলো বিধি-সংশোধনী আদি সামৰি 'বিদ্যুৎ আইন ২০০৩'ৰ বিভিন্ন ৰাজ্যৰ বিদ্যুৎ পৰিষদসমূহৰ সংস্কাৰৰ পথ মুকলি কৰি দিয়া হয়। সেই আইন অনুসৰি ২০০৪ চনৰ ১০ ডিচেম্বৰত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক খণ্ডিত কৰি বিতৰণ, উৎপাদন আৰু প্ৰবহনৰ দায়িত্ব সুকীয়াকৈ দি কেইটামান উত্তৰসূৰী প্ৰতিষ্ঠান গঠন কৰাৰ অধিসূচনা জাৰি কৰা হ'ল। প্ৰকৃততে তাৰ পাছৰ পৰাই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ বোলা মাত্ৰ প্ৰতিষ্ঠানটোৰ প্ৰাসংগিকতা কমি আহিছিল যদিও উমৈহতীয়া কিছুমান সমস্যা আৰু দায়িত্বৰ বাবে এই পৰিষদকো জীয়াই ৰখা হৈছিল। এতিয়া সেই সমস্যাবোৰবো সাধাৰণভাৱে নিষ্পত্তি হোৱাৰ পাছত নতুনকৈ গঠিত কোম্পানীকেইটাক অধিক সুকীয়াকৈ কাৰ্যনিৰ্বাহ কৰাৰ সুবিধাৰ্থে ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত মৰ্মে ১ এপ্ৰিল ২০১৩ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ ভংগ কৰি দিয়া হ'ল। অৱশ্যে বৰ্তমানৰ তিনিওটা উত্তৰসূৰী প্ৰতিষ্ঠানৰ লগত সম্পৰ্কিত বিষয়সমূহ বিবেচনা কৰিবলৈ তিনিটা কোম্পানী সাময়িকভাৱে একেজন সভাপতিৰ দায়িত্বত ৰখা হৈছে আৰু উমৈহতীয়া সমস্যাবোৰ দায়িত্ব কোনে ল'ব—সেই সম্পৰ্কতো অধিসূচনা জাৰি কৰা হৈছে। 'বিজুলী'ৰ এই সংখ্যাৰে আন অংশত এইবোৰ কথা আলোচনা কৰা হৈছে।

প্ৰায় ৫৫ বছৰীয়া গৌৰবোজ্জ্বল যাত্ৰাৰ পাছত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ অস্তিত্বহীন হোৱা কথাটোৱে এই পৰিষদৰ লগত সম্পৰ্কিত বিভিন্ন ব্যক্তি, বিশেষকৈ প্ৰবীণ চামৰ মাজত কিছু আবেগ আৰু নষ্টালজিক অনুভৱ সৃষ্টি কৰাটো স্বাভাৱিক কথা। অ ৰা বি পৰ সভাপতি হিচাপে দুটা কাৰ্যকাল কাৰ্যনিৰ্বাহ কৰাৰ পাছত মোৰ মনতো তেনে অনুভূতি জাগিছে। পাছে আমি সময়ৰ প্ৰয়োজনীয়তা মানি ল'বই লাগিব। আমি যদি এতিয়া অ ৰা বি পৰ তিনিটা উত্তৰসূৰী প্ৰতিষ্ঠানৰ ভেঁটি মজবুত কৰি তুলিব পাৰো, এই প্ৰতিষ্ঠানকেইটাক উন্নতি তথা বিকাশৰ পথলৈ আগুৱাই লৈ যাব পাৰো, বিষয়া-কৰ্মচাৰীসকলক ভৱিষ্যত নিৰাপত্তাৰ নিশ্চিতি দিব পাৰো, তেন্তে সেইবোৰৰ জৰিয়তেই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আমাৰ মনোজগতত থাকি যাব।

সমূহ বিষয়া-কৰ্মচাৰীলৈ বহাগী ওলগ যাচিলোঁ।

(সুভাষ চন্দ্ৰ দাস)
অধ্যক্ষ, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

## থাইলেণ্ডৰ বিদ্যুৎ

যোৱা বছৰ নৱেম্বৰ মাহৰ শেষৰ সপ্তাহত আমি বেঙ্কক চহৰলৈ গৈছিলোঁ থাইলেণ্ডৰ বিদ্যুতৰ বিষয়ে অধ্যয়নৰ বাবে।

গোটেই থাইলেণ্ড দেশখনৰ বিদ্যুৎ উৎপাদন আৰু সৰবৰাহৰ বাবে তাত ঘাইকৈ তিনিটা সংস্থা আছে আৰু তিনিওটাই চৰকাৰী খণ্ডত। বিদ্যুৎ উৎপাদনৰ বাবে আছে EGAT (Electricity Generation Authority of Thailand)। এওঁলোকে উচ্চবিভৱযুক্ত বিদ্যুৎ সৰবৰাহৰো কাম কৰে। বিদ্যুৎ বিতৰণৰ বাবে আছে দুটা সংস্থা—MEA (Metropolitan Electricity Authority) আৰু PEA (Provincial Electricity Authority)। MEAয়ে বেঙ্ককক ধৰি মাত্ৰ তিনিখন প্ৰভিন্স চোৱা-চিতা কৰে আৰু দেশৰ বাকী ৭৪ খন চোৱা-চিতা কৰে PEAয়ে। আটাইতকৈ উল্লেখনীয় কথাটো হ'ল যে উক্ত তিনিওটা সংস্থাই লাভজনকভাৱে চলি আছে আৰু তাৰ বিতৰণৰ লোকচান প্ৰায় ৩ৰপৰা ৪ শতাংশহে মাত্ৰ।

উক্ত সফলতা তেওঁলোকে একেৰাহে যোৱা বিছ-পঁচিছ বছৰৰপৰা চলাই থকা Reformৰ বাবেহে হৈছে, যি কাম আমি কিছু পৰিমাণে এতিয়াহে লৈছোঁ RAPDRP আৰু কিছু আঁচনিৰ নামত। বিদ্যুৎ বিতৰণত লোকচান কমাবলৈ তেওঁলোকে মূলতঃ তলত উল্লেখ কৰা তিনিটা কাম কৰিছে।

১। তেওঁলোকে কিছুমান সৰু সৰু বিদ্যুৎ উৎপাদনকাৰীক উৎসাহ দি নিম্নবিভৱযুক্ত লাইনত সংযোগৰ সুবিধা কৰি দিছে। এওঁলোকক very small power producer বুলি কয়। Diesel generating set, Solar power, Biomass আদিৰে এওঁলোকে বিদ্যুৎ উৎপাদন কৰে আৰু EGATক বিক্ৰী কৰে।




২। দ্বিতীয়তে, এওঁলোকে বিদ্যুৎ বিতৰণ লাইনত উপযুক্তভাৱে Capacitor Bankৰ ব্যৱহাৰ কৰিছে।

৩। তৃতীয়তে, এওঁলোকে বিদ্যুৎ সৰবৰাহ আৰু বিতৰণ কৰা লাইনবোৰ বৈজ্ঞানিকভাৱে নতুনকৈ সজাই-পৰাই তুলিছে (Feeder reconfiguration)।

এনেকুৱা ধৰণৰ সফলতা পাবলৈ তেওঁলোকে উন্নত মানৰ সম্পদৰ আঁচনি হাতত লৈছে। উদাৰহণ স্বৰূপে, দেখা যায় যে তেওঁলোকৰ R&D বিভাগত বিভিন্ন উচ্চ ডিগ্ৰীধাৰী যেনে, Graduate, Post-graduate আৰু Doctorate ডিগ্ৰীধাৰী অভিযন্তা নিয়োগ কৰিছে।

আৰু এটা উল্লেখনীয় দিশ তাত দেখা গৈছে যে তেওঁলোকে বেঙ্কক চহৰত ২২ (বাইছ) মিটাৰ দীঘল PSC খুঁটা ব্যৱহাৰ কৰি তাত 115KV, 22KV আৰু 220 Volt লাইন টানিছে। তেওঁলোকৰপৰা শিকিবলগা বহুত আছে। —**মনোৰঞ্জন কলিতা**

## 'বিজুলী'ৰ তৰফৰপৰা প্ৰশ্নাৱলী

১। অসম চৰকাৰে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ (অৰাবিপ) ভংগ কৰি দিয়া প্ৰসংগত আপোনাৰ প্ৰথম প্ৰতিক্ৰিয়া কেনে আছিল?

২। অৰাবিপৰ ভংগই বৰ্তমানৰ তিনিটা কোম্পানীত কেনে ধৰণৰ প্ৰভাৱ পেলাব পাৰে বুলি আপুনি ভাবে?

৩। এই কাৰ্যৰ লগত অৰাবিপৰ কৰ্মচাৰীসকলৰ স্বাৰ্থ কিবা প্ৰকাৰে জড়িত হ'ব পাৰে নেকি?

**মনোজ কুমাৰ অধিকাৰী**
*সভাপতি, বিদ্যুৎ অভিযন্তা সন্থা*

১। প্ৰতিক্ৰিয়া হোৱাৰ কথা বিশেষ নাই। কাৰণ বিদ্যুৎ আইন ২০০৩১ ব্যৱস্থামতে আগতেই বিদ্যুৎ পৰিষদসমূহ পুনৰ গঠন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছিল। এই কামৰ বাবে প্ৰথম অৱস্থাত দুবছৰৰ সময়সীমা আছিল আৰু ৰাজ্য চৰকাৰৰ প্ৰতিবেদনৰ ভিত্তিত কেন্দ্ৰীয় চৰকাৰে বিশেষ কাৰণত এই সময়সীমা বঢ়োৱাত অনুমোদন দিব পৰাৰ ব্যৱস্থা আছিল।

বিদ্যুৎ পৰিষদৰ পুনৰ্গঠন হোৱাৰ পাছত এই ব্যৱস্থাৰদ্বাৰা ২০০৯ চনৰ ছেপ্টেম্বৰ মাহলৈ বিদ্যুৎ পৰিষদ কাৰ্যকৰী হৈ

আছিল বা অৰাবিপৰ আনুষ্ঠানিকতা আছিল। ইয়াৰ পাছত বিদ্যুৎ পৰিষদ ভংগ কৰাৰ ব্যৱস্থা কৰা হয়।

২। যদিও বিদ্যুৎ পৰিষদৰ উত্তৰসূৰী তিনিওটা কোম্পানীতে স্বতন্ত্ৰীয়া পৰিচালনা ব্যৱস্থা আছে, তথাপি ৰাজ্যৰ সামগ্ৰিক বিদ্যুৎ ব্যৱস্থাত এক উমৈহতীয়া ব্যৱস্থাপনাৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰোঁ। মই ভাবো বিদ্যুতৰ উৎপাদন, প্ৰবহন আৰু বিতৰণ ব্যৱস্থাত এক উমৈহতীয়া পৰিকল্পনাৰ প্ৰয়োজন।

তদুপৰি অতিমাত্ৰা মূলধনৰ প্ৰয়োজন হোৱা বাবে সুসমন্বিত বিনিয়োগৰ প্ৰয়োজনীয়তাও কোনোপধ্যে নুই কৰিব নোৱাৰি।

বৰ্তমান চৰকাৰে তিনিওটা খণ্ড বা কোম্পানী এজন সভাপতিৰ অধীনত ৰখালৈ চাই, তেওঁলোকে ইয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰা যেন ভাব হয়। মোৰ বোধেৰে কোম্পানীসমূহৰ মূলধনী গাঁথনিত (Capital Structure) ক্ৰছ হল্ডিঙৰ (Cross Holding) ব্যৱস্থা কৰি ইয়াক এক সুসংগঠিত ৰূপ দিব পৰা যায়। তদুপৰি কোম্পানীসমূহৰ ব্যৱস্থাপক মণ্ডলীতো অনুৰূপ ব্যৱস্থা ৰাখিব পাৰি।

৩। মই ভাবো যে বিদ্যুৎ পৰিষদ ভংগৰ লগত কৰ্মচাৰীৰ সুৰক্ষাৰ প্ৰত্যক্ষ সংযোগ নাই। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ টাৰ্মিনেল বেনিফিট (Terminal Benefit) ব্যৱস্থাটো আগৰে পৰাই এডহক (Adhoc) ব্যৱস্থাৰে চলি আছিল। উদাহৰণ স্বৰূপে বিষয়া-কৰ্মচাৰীসকলৰ বাবে জি পি এফ ব্যৱস্থা আছিল যদিও ইয়াৰ বাবে কোনো পুঁজিৰ ব্যৱস্থা নাছিল। তেনেদৰে পেন্সনৰ সুবিধা আছিল যদিও ইয়াৰ বাবেও কোনো নিৰ্দিষ্ট পুঁজি ৰখা হোৱা নাছিল। এই সকলোবোৰ অব্যৱস্থাৰ বিষয়ে পৰিষদৰ কৰ্মচাৰী-বিষয়াসকলে ২০০৪/০৫ চনৰ বিদ্যুৎ পৰিষদ পুনৰ্গঠনৰ সময়ত চৰকাৰক অৱগত কৰিছিল। এই সম্পৰ্কত চৰকাৰৰ লগত হোৱা আলোচনাৰ ফলশ্ৰুতিত বৰ্তমান কিছু ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু এই ব্যৱস্থাসমূহে বিষয়া-কৰ্মচাৰীসকলক কিছু সুৰক্ষা দিব বুলি আশা কৰা হৈছে। তাৰ বাবে পাছে বিষয়া-কৰ্মচাৰীসকল সতৰ্ক হৈ থাকিব লাগিব আৰু নিজা সংগঠনসমূহে যাতে সময়োচিত পদক্ষেপ লৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাত কাৰ্যকৰী ভূমিকা লয়, সেয়াও সুনিশ্চিত কৰিব লাগিব।

## অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পুনৰগঠন

অসম চৰকাৰে বিদ্যুৎ আইন, ২০০৩ৰ আওঁতাত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পুনৰগঠন কৰি যথাক্ৰমে অসম শক্তি উৎপাদন নিগম, অসম বিদ্যুৎ গ্ৰীড নিগম আৰু অসম শক্তি বিতৰণ কোম্পানী নামেৰে তিনিটা প্ৰতিষ্ঠান গঠন কৰে। এই পুনৰগঠনৰ ফলশ্ৰুতিত 'অ.ৰা.বি.প.' গত ইং ৩১.৩.২০১৩ অন্ত পৰে।

বিদ্যুৎ পৰিষদৰ পৰিসমাপ্তিৰ ঘোষণাৰ লগতে বিদ্যুৎ পৰিষদৰ তত্ত্বাৱধানত চলি থকা আঁচনিসমূহৰ কাম-কাজ আৰু ইয়াৰ তদাৰকী কাৰ্য সংশ্লিষ্ট কোম্পানীক পৰিচালনা কৰিবলৈ চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে, যেনে—

১। R-APDRP আৰু RGGVY লগতে অন্যান্য পানী যোগান, গৃহ আৱণ্টন, ডিছপেন্সেৰী, ষ্টাফ বাছ (ইতিমধ্যে কোম্পানীলৈ হস্তান্তৰ নকৰা) আদি কাম-কাজবোৰ বিতৰণ কোম্পানীয়ে চোৱা-চিতা কৰিব।

২। এডিবিৰ (ADB) লগত জড়িত কাম-কাজবোৰ এ ই জি চি এল-ৰ তত্ত্বাৱধানত চলিব।

৩। ১০/১২/২০০৪ চনৰ আগৰ বিভিন্ন কৰ্মচাৰী আৰু বিষয়াবৃন্দৰ দ্বাৰা গঠিত সংস্থাবোৰে এ পি ডি চি এল-ৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিব পাৰিব। তেখেতসকলৰ ওজৰ-আপত্তি বা পৰামৰ্শসমূহ এ পি ডি চি এল-ৰ CMDক জনাব পাৰিব।

৪। ১০/১২/২০০৪ চনৰ আগৰ বিভিন্ন কৰ্মচাৰী আৰু বিষয়াৰ সমূহীয়া বিষয়বোৰ যেনে জ্যেষ্ঠতাৰ তালিকা প্ৰস্তুতকৰণ, পদোন্নতি, বদলিকৰণ আদি সম্প্ৰতি এ পি ডি চি এল-ৰ দায়িত্ব থাকিব। এনে বিষয়বোৰ বিবেচনা আৰু কাৰ্যকৰীকৰণৰ বাবে এখন তদাৰকী সমিতি থাকিব। (উক্ত সমিতিখন ইতিমধ্যে গঠন কৰা হৈছে)।

৫। Common Cadre Managementৰ ক্ষেত্ৰত এ পি ডি চি এল (APDCL)ৰ CMDএ আন দুটা নিগমৰ পৰিচালন সঞ্চালকৰ সৈতে আলোচনা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

৬। অসম চৰকাৰে পুনৰ্গঠন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত উদ্ভৱ হ'ব পৰা সম্ভাব্য অসুবিধাবোৰ নিৰাময়ৰ বাবে সময়ে সময়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

*(Source : Notification No. PEL, 125/2011/125, dated 12.03.2013 issued by Commissioner & Secretary to the Govt. of Assam, Power Deptt.)*

বি কে দুৱৰী
মুখ্য মহাপ্ৰবন্ধক (মাঃ সঃ প্ৰঃ)
এ পি ডি চি এল

## OUR BANGKOK TRAINING : A MEMOIR

Flight no 9W-66 of Jet International Airways landed at Suvarnabhumi Airport (Bangkok) at 0540 hrs (Bangkok time) on 2nd Dec 12. We were glad to be a member of tour. Airfare, hotel accommodation and other expenditures borne by ADB out of saving from TA 7378-IND. The TA-7378-IND was successfully completed during April '12. The responsible person for the TA was Mr. J Srinivasan, Financial Expert, ADB. He was the master mind behind the Tour. His idea was to utilize the savings for the TA and facilitate the ASEB officials in a Training cum workshop, which may be a sort of Capacity Development. ASEB management agrees to his proposal and a few of Lucky Champs are selected to visit Bangkok. ADB of course fixed few criteria for the selection.

We were welcomed with a warm Namaste by hotel official at Exit B Gate no 5. I was awestruck to see the cleanliness of the city.

Morning session started sharply at 08.30 hrs. Resource faculty were from EGAT (Electricity Generation Authority of Thailand responsible for maintaining the transmission system and generation of 50% of power requirement, other 50% met by IPP and VSPP.) PEA (Provisional Electricity Authority power distribution utility covering 90% of Thailand) MEA (Metropolitan Electrical Authority power distribution utility to metro areas of Bangkok) who covered the topics related to GIS sub station, OPGW, Hotline maintenance etc. The subjects were familiar. The resource people were very young and well acquainted with the subjects they covered. We deeply appreciated their time management.

Field visits were arranged to EGAT Theparuk Sub station, Tirathai transformer factory, and cable factory,



PEA SCADA / SAS. We were spellbound to see how the employees could keep the factories, sub station premises so clean. Dr J.G. Singh of Asian Institute of Technology (AIT) a resource faculty aptly commented that the technology are more or less familiar everywhere nowdays but the way the people maintained them made all the difference. Hats off to the smiling Thais.

After the hectic schedule the function of Thailand Cultural society, river cruise on the Chao Pahraya River with memorable English songs of yesteryear that too on 5th Dec 12 His Majesty the King of Thailand's birthday, a brief trip to the famous Pattaya beach made possible by the initiative of our team leader will always be cherished by all of us.

We returned back to Guwahati on 8th Dec 12 saying Good-Byes to **THE LAND OF SMILES, THAILAND.**

**–Pankaj Kishore Bhuyan, AGM**
**Antara Baruah, AGM**

## FINANCIAL POSITION OF SUCCESSOR COMPANIES OF ASEB

At the time of unbundling of ASEB, the Govt. of Assam had formulated area-wise Transfer Schemes and in line with the Electricity Act, 2003 made an appropriate arrangements in regard to the funding of the Pension Funds and other unfunded terminal benefit obligations like GPF, UUL etc.

With this perspective, an Actuarial Valuation was done as at 9 December, 2004 to estimate the unfunded liabilities and the Actuary had estimated the cash outflow which was notionally segregated in respect of the past services and for future services on the basis of average years of service completed and average total years of service and assessed the 'Net Present Value' of the unfunded total liabilities for Rs. 2169 cr. including the liability of GPF for Rs. 385 cr. with the projeced cash flow for the next 20 years i.e. up to 2024.

The Govt. of Assam according to its commitment made through Notification issued vide PEL. 190/2004/69, dated 4 Feb. 2005 had developed a plan and the Cash outflows towards past unfunded liabilities of existing employees, pensioners and Family pensioners would be funded through following cash streams :

a. An amount of Rs. 45 cr. as in-flow for the FY 2004-05 and 2005-06 from the AGPRMP Programme Loan.

b. Interest from the Pension Trust corpus of Rs. 88.7 cr. as available at that time.

c. Electricity Duty @ 5p/kwh.

d. Spceial Bulk-Supply Tariff/Transmission Tariff to meet past unfunded liability subject to approval of the AERC.

   Finance Deptt. had advised that the Power Deptt would explore the possbility of imposing a Spcial charge of 20p, 15p, 10p, 5p or NIL charge/kwh (in that order) which is subject to AERC approval. The AERC had approved it @ 10p/kwh initially and this had been raised to 15p/kwh from May, 2011,

e. With a view to fund for the future services as assessed by the Actuary firm, the new companies shall be required to contribute every month @ 22.79% of their existing employees' Basic Pay + DA till they retire.

f. Budgetary Support from the Govt. of Assam to meet any shortfall.

In addition to this, on turn-around of the Companies having better cash surplus– shall have to contribute a maximum of 50% of their cash surplus towards funding of past unfunded liabilities after duly meeting their obligations including contribution to the Pension Fund Trust for future services, till the time as mutually agreed between GoA and the Companies.

However, the Govt. of Assam, subsequently enhanced the rate of Electricity Duty @ 10p/kwh and at present the APDCL is releasing the E/Duty at such enhanced rate.

Till date the Pension Trust has received budgetary support as given in table below :

(Rupes in Cr)

| Year | Excess/Shortfall | Budgetary Support |
|---|---|---|
| 2005-06 & 06-07 | 109.853 | NIL |
| 2007-08 | 73.750 | 30.0 |
| 2008-09 | 56.810 | NIL |
| 2009-10 | 66.980 | 181.0 |
| 2010-11 to 2011-12 | 222.70 | NIL |
| 2012-13 | 211.220 | 100 |

The Pension Trust is at present having the corpus of Rs. 460 cr. and is generating interest around Rs. 40 cr. annually while the projected fund requirement to meet the obligations stood at Rs. 286 cr. for the current year and Rs. 307 cr. for FY 2014-15. But the realization from the ED, BSTand contributions for the future services are found to be not satisfactory due to inadequate cash-flow of the APDCL.

The ASEB Pension Trust has conducted a fresh Actuarial Valuation as at 31 March 2012 and the accumulated liability has been re-assessed by the Actuary to Rs. 4646.01 cr. with the company-wise revised rate of contribution @ 23.31%. The Report of the Actuarial Valuation on due approval of the ASEB and also by the ASEB Pension Fund Trust forwarded to the Govt. of Assam requesting for considering for release of necessary assistance to the Pension Trust.

–S.K. Saha
CGM (F&A), AEGCL

## Monthly Generation Data of NTPS for the year of 2012-13 against the target given by AERC

| MONTH | GROSS GENERATION (MU) | TARGET GIVEN BY AERC (MU) | % Age ACHIEVED |
|---|---|---|---|
| APRIL | 41.995 | 42.0 | 99.9881 |
| MAY | 42.323 | 42.3 | 100.0544 |
| JUNE | 35.282 | 35.3 | 99.9490 |
| JULY | 42.660 | 42.7 | 99.9063 |
| AUGUST | 41.570 | 46.3 | 89.7840 |
| SEPTEMBER | 39.691 | 46.3 | 85.7257 |
| OCTOBER | 53.220 | 42.3 | 125.8156 |
| NOVEMBER | 44.295 | 41.6 | 106.4784 |
| DECEMBER | 49.504 | 47.8 | 103.5649 |
| JANUARY-13 | 52.421 | 47.8 | 109.6674 |
| FEBRUARY-13 | 44.551 | 43.2 | 103.1273 |
| MARCH-13 | 45.656 | 47.8 | 95.5146 |
| TOTAL | 533.168 | 525.2 | 101.5171 |

**বিদ্যুৎ উৎপাদনৰ লক্ষ্য অতিক্ৰম ঃ** নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰই ২০১২-১৩ বৰ্ষত অসম বিদ্যুৎ নিয়ামক আয়োগে (AERC) নিৰ্দ্ধাৰিত কৰি দিয়া ৫২৫.২ MU উৎপাদনৰ লক্ষ্যৰ বিপৰীতে ৫৩৩.১৬৮ MU বিদ্যুৎ উৎপাদন কৰি নিৰ্দ্ধাৰিত কৰি দিয়া লক্ষ্য অতিক্ৰম কৰে। নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰৰ সকলো বিষয়া/কৰ্মচাৰীৰ একনিষ্ঠ কৰ্মৰ বাবে উক্ত লক্ষ্য অতিক্ৰম কৰাটো সম্ভৱ হয়।

*—যুগুতাই দিলে*

**প্ৰণৱ কুমাৰ শৰ্মা**, মহাপ্ৰবন্ধক,
নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰ

## SOLAR NET METERING



Assam Power Distribution Company Ltd has introduced the SOLAR NET METERING arrangement to encourage the use of solar energy among its customer. Under the arrangement of NET METERING a solar energy generator can push back the energy generated by solar panels to the grid and reduce their monthly energy consumption. If a generator produces more than it consumes, it can even earn extra cash at a rate Rs4 per unit.



The first 2 KWp solar photovoltaic project under this arrangement was commissioned at RAJIV BHAWAN which wasinaugurated by the Hon'ble Chief Minister of Assam on 2nd October 2012 on the occasion of Gandhi Jayanti. The SPV power plant generated 184 units in the first month and made a saving of Rs977 which was adjusted in the monthly electricity bill.



The total capital cost of the project was Rs1, 60,000 (@ Rs 80,000 per Kilo watt). The solar power generators under this arrangement will be eligible for 30% capital subsidy under the North East Industrial investment Promotional Policy,2007.

## বসন্তৰ উতনুৱা বা

আকৌ আহিল মন উৰুঙা, দেহা ৰাইজাই কৰা বসন্ত ঋতু। এই বসন্ত ঋতুতে আমি পাতো ৰঙালী বিহু। আকাংক্ষিত বৰষুণজাকো আহিল চ'ততে। ঠায়ে ঠায়ে বৰদৈচিলায়ো মাকৰ ঘৰলৈ ঢপলিয়াই আহোঁতে চুই গৈছে। গছে-বনে কিশলয়ৰ সাজোন-কাচোন। চাৰিওফালে নতুন নতুন ভাব। কুঁহিপাতৰ আঁৰ হৈ কুলিটিয়েও কুউ কুউ কৰি লগৰীৰ মন জুৰাই ন-সংসাৰ পাতিবলৈ মন মেলিছে। ঘৰতো নবহা পথাৰতো নবহা মনক উৰুৱাই নিয়া কমোৱা তুলাবোৰো উৰিছে। গছৰ আগত পৰি কেতেকীজনীয়েও গীত জুৰিছে। 'মই কেতেকী', 'মই কেতেকী' মাতেৰে লগৰীৰ মন মুহিবলৈ যতন কৰিছে। কপৌ আৰু তগৰ ফুলে নাচনীৰ উধনীয়া খোপা শুৱাবলৈ ফুলনি শুৱাই ৰৈ আছে। গৃহস্থৰ পদূলিমুখত নাহৰেও ৰগৰৰে ফুলি সৌৰভ বিলাই পথিকৰ মন হৰষিত কৰিছে। গুৰু-ভকতক নলগা মদাৰজুপিয়েও ৰঙালি বিহুটিক আৰু অধিক ৰঙীণ কৰিবলৈ দূৰৈতে ৰাঙলী সাজেৰে জকমকাই ৰঙতে ৰং চৰাই ৰৈ আছে।

ডেকামখাই ঢোলৰ বৰতি টানি-টুনি ঢোলৰ মাত কেনে হৈছে শুনাত মন দিছে। কাৰণ ঢোলৰ মাত ঢেপেকা হ'লে কোনোবা দুষ্ট নাচনীয়ে জোকাই গাব পাৰে— "ঢোলে ভালে কৰি বাবি হেৰ' ঢুলীয়া, ঢোলে ভালে কৰি বাবি, ঢোল বাব নেজান বিহুলৈ আহিলি, বৰতি ছিঙিব চাবি"। প্ৰতিজন ডেকাই মনে মনে চাই থৈছে কাৰ বাৰীৰ এজাৰৰ ফেৰেঙণীত ফুলিব খুজিছে কপৌফুলৰ লগতে ভাটৌফুল, কোনজোপা নাহৰে পেলাইছে কলি। আৰু কোন ঘৰৰ ফুলনিত কলিয়াইছে আগতীয়া তগৰ। বিহুৰ দিনা বুকুৰে বহনাৰ কলদিলীয়া কবৰীত গুজি দিব এপাহী তগৰ নাইবা এপাহী গেজেংফুল। নহ'লে জানোচা নিজলৈকে টান পৰে।

শিপিনীয়ে শালত থকা গামোছাযুতি লৰালৰিকৈ বৈ উলিয়াইছে বিহুচেৰা হয় বুলি। চেনাইলৈ বুলি পানকটা বছা গামোছাখন হাতৰ টিপতে আনি গাৰুৰ তলত লুকুৱাই থৈছে মাকৰ চকুৰ আঁৰ কৰি। ৰিহাযুতি ফাগুনতেই বৈ কাটি অঁতাইছে।

ঢেঁকীশালত সকলোৱে জা-জলপান খুন্দিবলৈ দিহা কৰি খোলা পাতিছে। ঢেঁকী আৰু তাঁতশালৰ মাতে আমাৰ ঘৰবোৰ উছৰমুখৰ কৰি তুলিছে। ঢেঁকীৰ গৰিকেই জনায় কাৰ ঘৰৰ গাঁৰিশলিত কি খুন্দিছে। আখৈলৈ থোৱা বেজীধানকেইটা ৰ'দত তপতাই আনি খোলাত দিছে। আখৈ ফুটাৰ ঢপ্‌ঢপনিত কাৰো মাত কোনেও নুশুনা হৈছে। উফৰি পৰা আখৈকেইটা মাত নুফুটা ল'ৰাটো বা ছোৱালীজনীক দিবলৈ মাকহঁত আহি লৈ গৈছে।

মাকক নতুন ৰিহা-মেখেলা খুজি আবদাৰ ধৰি ধৰি নোপোৱাৰ দুখত নেনাচো বুলি ঠেহ পাতি ৰোহঘৰত সোমাই থকা গাভৰুজনীৰ বুকুত পেঁপা-গগনাৰ মাতে হেন্দোলনি তুলিছে। ঢোলৰ মাতে তাইক ঠেহ ভাঙি উলিয়াই আনিছে। চেনাইৰ ঢোলৰ মাতত ঠেহ পাতি থকাৰ কথা পাহৰি ৰোহঘৰৰপৰা নাচি-নাচি ওলাই আহিছে বিহু মাৰিবলৈ। সখীকেইজনীকো ৰিঙিয়াইছে পলম নকৰিবলৈ।

এয়েই হৈছে আমাৰ ব'হাগৰ উতনুৱা বা। এই বা লাগি যাৰ গা সাতখন-আঠখন হোৱা নাই তেওঁ অসমীয়াই নহয়। বছৰি বসন্ত আহে আৰু বছৰিয়ে আমাৰ কাৰণে হয় নৱ বসন্ত আৰু হৈ থাকিব।

**—নাং অঞ্জনা গগৈ**

## বিহুৰ লাভ !

চিৰাচৰিতভাৱে এইবাৰো বিহুত যোৰহাটৰ ঘৰলৈ যাবলৈ ওলালো। অকলেই ওলালো। উৰুকাৰ দিনা পুৱা। বিহুত ঘৰলৈ যাবলৈ মানুহৰ খদমদম। মোৰ আকৌ আগতে টিকট কৰাই নহ'ল। যি হয় হ'ব বুলি খানাপাৰালৈকে ওলালো। কোনোবা এখন বাছত বাৰু ছীট নাপামনে? কেবিনত হ'লেও কথা নাই। পাছে নাই, যোৰহাট-শিৱসাগৰ-ডিব্ৰুগড়—কোনো বাছতে ছীট নাই, কেবিনতো নাই। ডুপ্লিকেট টিকট ইছ্যু হৈছে, টিকট কৰা মানুহেই যাবলৈ সুবিধা পোৱা নাই। কেওফালে হৈ-চৈ, চিএৰ-বাখৰ। হ'লেও দিগদাৰ নাই। নগাঁৱলৈ মিনি বাছবোৰ গৈ আছে, তাত ছীট পোৱা যায়। মই ভাবিলো তেনে এখন মিনি বাছতে উঠি নগাঁৱলৈ

গুচি যাওঁ। তাৰ পাছত তাৰ পৰা যোৰহাটলৈ এনে মিনি বাছ দেধাৰ পাই যাম। মিনি বাছৰ কণ্ডাক্টৰে খানাপাৰত গাড়ী ৰখাই চিঞৰিবই লাগিছে, "এইনগাঁও, নগাঁও।"

মই তেনে এখন মিনি বাছতে উঠিলো। দুবাৰৰ ঠিক ওচৰৰ দুজনীয়া ছীটটোত এজন ডেকা বহি আছিল। ওচৰৰ ছীটটো খালী, মানে তাত এখন আলোচনী থোৱা আছে। মই ডেকাজনক সুধিলো—"এই ছীটটো খালী নেকি?"

"মানে এজন ভদ্রলোকে এই আলোচনীখন থৈ গৈছে," ডেকাই ক'লে।

মই বুজিলো—কোনোবাই ছীট ৰাখি থৈ গৈছে। তাৰ ঠিক পাছৰ ছীট দুটাও খালী আছিল। মই তাৰে খিৰিকীৰ ওচৰৰ ছীটটোত বহিলো। অলপ পাছতে জীনছ-টপ পিন্ধা ধুনীয়া ছোৱালী এজনী বাছত উঠিল। মই মন কৰিলো ডেকাই আলোচনীখন লৰালৰিকৈ হাতত ল'লে। ছোৱালীজনীয়ে ডেকাক সুধিলে, "ইয়াত কোনোবা আছে নেকি?" ডেকাই খপজপকৈ ক'লে, "নাই, নাই, বহক।"

অলপ পাছতে বাছ চলিবলৈ আৰম্ভ কৰিলে। লগতে ডেকাৰ কথাও আৰম্ভ হৈ গ'ল, "আপুনি বাৰু ক'লৈ যাব?"

"ৰহা, আপুনি?" ছোৱালীজনীয়েও মিঠা মাতেৰে ক'লে।

"জাজৰি। ...মই তোমাক তুমি বুলিয়েই কম দিয়া," ডেকাই ক'লে।

দুয়ো যেনিবা কথা পাতিয়েই গ'ল। মইনো কি কৰো? মোৰ ওচৰত যিজন বহিছে, তেওঁ কলমটিয়াব লাগিছে। মোৰ গাত পৰো পৰোকৈ থাকে। মই মাজে মাজে চিধা কৰি দিব লাগে।

আলোচনীখন! মোৰ মনলৈ আহিল। ডেকাক পিছফালৰ পৰা খুচিলো। তেওঁ বিৰক্তিৰে ঘূৰি চালে।

"আলোচনীখন বাৰু অলপ দিব নেকি?" মই সবিনয়ে সুধিলো।

ডেকাজনে সেইখন আগবঢ়াই দিলে। বিহু সংখ্যা জনমভূমি দেখোন। এজনে মোক সেইখনত কেবাখনো ভাল উপন্যাস আৰু গল্প থকাৰ কথা কৈছিল। মই পাছে দোকানত বিচাৰি নাপালো। সোনকালে আহিছিল, শেষ হৈ গ'ল হেনো। এতিয়া সেইখনকে পাই মনত বৰ আনন্দ পালো।

মই ড° ভূপেন শৰ্মাৰ 'ধূলি-বালিৰ উপত্যকা' পঢ়িবলৈ আৰম্ভ কৰিলো। বৰ বেছি দেৰি নালাগিল। তাৰ পাছত আৰম্ভ কৰিলো মণিকুন্তলা ভট্টাচাৰ্যৰ 'সালংকৃতা।'

ইতিমধ্যে আমাৰ ডেকা-গাভৰু কথা-কামত একেবাৰে মচগুল। এইবাৰ দেখোন কিবা ব্লুটুথেৰে মবাইলত থকা গান দিয়া-নিয়াত লাগিছে। মাজে মাজে ইজনে-সিজনক কয়, "তোমাৰ ওচৰত বাৰু হনী সিঙৰ ভিডিঅ' বা অডিঅ' আছে নেকি? মোৰ ওচৰত জুবিনৰ দুটামান আছে, দিম ৰ'বা।"

তেওঁলোকে যি কৰে কৰি থাকক, মই মোৰ কাম কৰি গ'লো। ড° দীনেশ চন্দ্ৰ গোস্বামীৰ 'সংকেতৰ খেল' পঢ়িবলৈ ল'লো।

ৰহাত বাছ ৰ'ল। গাভৰু নামি গ'ল। যাওঁতে ডেকাক ক'লে, "নম্বৰটো পালা নহয়, ফোন কৰিবা।"

এইবাৰ বাছ জাজৰিত ৰ'ল। নামিবলৈ সাজু হৈ ডেকাই মোক সুধিলে, "আলোচনীখন?"

"এইখনতো কোনোবা ভদ্রলোকৰহে আছিল। মই পালে দি দিম বাৰু," মই মেলা আলোচনীখনত চকু ৰাখিয়েই ক'লো। তাৰ পাছত আৰ চকুৰে এবাৰ ডেকালৈ চালো।

মোলৈ পোন্দোৰাকৈ চাই ডেকা নামি গ'ল।

মোৰ বেয়া নালাগিল। বিচাৰি ফুৰা আলোচনীখনতো হঠাতে পালোৱেই, তাকো একেবাৰে বিনা পইচাত। নগদ ৫০ টকা লাভ!

—অভিজিত শৰ্মা বৰুৱা

## এটা আধৰুৱা গল্প

'বিদ্যুৎ পৰিষদ'—মুৰ্দাবাদ, 'এ.এছ.ই.বি.'—মুৰ্দাবাদ, 'বিদ্যুৎ পৰিষদৰ বিষয়া-কৰ্মচাৰী—হুছিয়াৰ—'হুছিয়াৰ-হুছিয়াৰ, 'ইঞ্জিনিয়াৰ-লাইনমেনৰ মইমতালি নচলিব'-'নচলিব-নচলিব।'... কিবা এটা হুলস্থূল যেন আগুৱাই আহিব লাগিছে। কাণখন উনাই চালোঁ—হয়, হুলস্থূলেই হয়। বুকুখন টিপ্ কৰি উঠিল। কি বা পৰিস্থিতি হয়! তেনেতে লাইনমেন গগৈ উধাতু খাই দৌৰি আহিল—'ছাৰ, ছাৰ, বিৰাট প্ৰচেছন এটা আহি আছে—গেটখন বন্ধ কৰি দিম নেকি?' 'নালাগে, আহিবলৈ দিয়া আৰু তোমালোকেও ক'তো নাযাবা'—মই লাহেকৈ ক'লো। আচলতে মই নিজকে প্ৰস্তুত কৰি পেলাইছিলোঁ পৰিস্থিতিৰ পৰা পলায়ন কৰাতকৈ পৰিস্থিতিৰ মোকাবিলা কৰাই ভাল। বিদ্যুতৰ যি অৱস্থা মানুহৰ অভিযোগ থাকিবই। কিন্তু হলা গছত বাগি কুঠাৰ মৰা মানুহৰ সংখ্যাও কম নহয়।

সমদলটো আগুৱাই আহিল। মই বহাৰপৰা উঠি বাহিৰলৈ আহিলোঁ। মোক দেখি উত্তেজনা আৰু বাঢ়ি গ'ল। "বিদ্যুৎ পৰিষদ"—'মুৰ্দাবাদ'—গগনফলা চিঞৰ। মই বিজুলীৰ গতিৰে মানুহবোৰৰ ওপৰেদি চকু ফুৰালো। যি কেইজনে নেতৃত্ব দি অহা যেন লাগিছে—সেই কেইজনে কালিলৈকে মোক ছাৰ-ছাৰ বুলি আহি বিচাৰি ফুৰিছিল। পিছে বৰকৈ আহি নাপালে। সৌজনৰ আকৌ বহু পৰিমাণৰ বিদ্যুৎ বিল দিবলৈ বাকী। সেইজনে বহুদিন ধৰি চুৰি সংযোগ লৈ আছিল। পিছত নিয়মীয়া কৰিবলৈ বাধ্য কৰা হ'ল। আৰু সৌজন সেইজন মোৰ ঘৰুৱা সম্বন্ধীয়ই। অৱস্থাও যথেষ্ট ভাল। টকা-পইছা পানীৰ দৰে উৰুৱাব পাৰে। পিছে বিদ্যুতৰ বিলখন দিবলৈহে নাৰাজ—লাইনটো কাটি দিয়া হ'ল। হঠাৎ ঠংকৈ হোৱা শব্দত সচকিত হৈ পৰিলোঁ। লগে লগে ঠাং ঠুং বহুত শব্দ—কি হৈছে টলকিবলৈকে নাপালোঁ। মুহূৰ্ততে অফিচ ঘৰটোৰ খিৰিকীৰ গ্লাচ ভাঙি -মেলি শেষ। ...এজন ভদ্ৰলোকক কিয় এনে হ'ল বলি সোধাত উত্তৰ আহিল—এয়া বোলে ক্ষোভৰ বহিৰ্প্ৰকাশ। চিনেমাত দেখুৱায় যে।

কিছুদিন পিছত মিস্ত্ৰী এজন মাতি সন্মুখৰ গ্লাচ দুখনমান লগাবলৈ দিলোঁ। কৰ্মচাৰী এজনে ক'লে, 'গ্লাচকেইখন লগাইনো লাভ কি? আকৌ দেখোন ভাঙিবই। মই বোলো সেইকাৰণেইতো লগাইছো—আমাৰ পিঠিকেইখন অন্ততঃ বাচিব...সেইজনে ভেবা লাগি মোলৈ চাই থাকিল।

—কন্দৰ্প কুমাৰ গোহাঁই

## তীখাৰপৰা তৰোৱাল

এই কাহিনীটো লাইনেল ৰাটাৰমেনে কৈছিল। কাহিনীটো এজন কমাৰৰ। কমাৰজনে ডেকা বয়সত কৰা উদণ্ড কাৰ্যকলাপ ত্যাগ কৰি ঈশ্বৰৰ ওচৰত নিজকে সমৰ্পণ কৰিলে। আৰু তেওঁ কঠোৰ পৰিশ্ৰম আৰু পৰোপকাৰী কামতে পাছৰ সময়বোৰ পাৰ কৰিবলৈ ঠিক কৰিলে। এনেদৰে কেইবা বছৰো পাৰ হৈ গ'ল। তেওঁ আন্তৰিকতাৰে নিজৰ কৰ্মত লাগি থাকিল যদিও তেওঁ নিজৰ জীৱনত একো সফলতা লাভ কৰিব নোৱাৰিলে। তেওঁৰ সমস্যাবোৰ দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে আৰু জীৱন-ধাৰণৰ বাবে প্ৰয়োজনীয় খৰচ মিতাবলৈ গৈ ধাৰত পোত গ'ল।

এদিন কমাৰজনৰ পূৰ্বৰ বন্ধু এজনে তেওঁৰ দুৰৱস্থা দেখি অতিশয় দুখিত হৈ ক'লে, "যেতিয়াৰপৰা তুমি ঈশ্বৰ-পৰায়ণ হ'বলৈ মনস্থ কৰিলা, তেতিয়াৰপৰাই তোমাৰ অৱস্থা বেয়াৰ ফালে ঢাল খাবলৈ ধৰিলে। মই তোমাৰ বিশ্বাসক দুৰ্বল কৰিব বিচৰা নাই, কিন্তু এই কথা সঁচা যে দৈৱ জগতৰ প্ৰতি তোমাৰ দৃঢ় বিশ্বাস থকা সত্বেও তোমাৰ নিজৰ জীৱনৰ একো উন্নতি নহ'ল।

কমাৰজনে ততালিকে একো উত্তৰ নিদিলে; তেওঁ নিজেও সেই কথা প্ৰায়ে ভাবে, কিয় তেওঁৰ তেনে অৱস্থা হৈছে। কিন্তু তেওঁ তাৰ একো সদুত্তৰ তেতিয়ালৈকে বিচাৰি পোৱা নাই। তথাপিও তেওঁ বন্ধুজনক কিবা এটা ব্যাখ্যা দিবলৈ চেষ্টা কৰিলে আৰু সেই কাম কৰোঁতেই তেওঁ যেন নিজৰ প্ৰশ্নটোৰো উত্তৰ পালে, তেনে লাগিল। তেওঁ কৈ গ'ল:

"মোৰ কমাৰশালত গোটা তীখাৰ টুকুৰাবোৰৰপৰা মই কিছুমান তৰোৱাল তৈয়াৰ কৰোঁ। সেই কাম মই কেনেকৈ কৰোঁ তুমি জানানে? প্ৰথমতে মই ধাতুটুকুৰা ৰঙা হৈ যোৱাকৈ গৰম কৰোঁ,

তাৰ পাছত মই তাক মোৰ আটাইতকৈ গধুৰ হাতুৰীটোৰে নিৰ্দয়ভাৱে পিতি থাকোঁ, যেতিয়ালৈ সি মই বিচৰা আকাৰটো নাপায়গৈ। এইবাৰ তাক নি মই ঠাণ্ডা পানীৰ চৰিয়া এটাত ডুবাই দিওঁগৈ আৰু মোৰ গোটেই কমাৰশালখন ভাপৰ গৰ্জনত ভৰি উঠে আৰু ধাতুটুকুৰাই বিপৰীত উষ্ণতাৰ চৰম তাৰতম্যৰ কবলত পৰি জিকাৰ খাই উঠে, চিৎকাৰ কৰিবলৈ ধৰে। পুনৰ তাক মই গৰম কৰি ৰঙা কৰিম, পিটিম, ঠাণ্ডা পানীত ডুবাম আৰু যেতিয়ালৈকে মই তৈয়াৰ কৰিব খোজা তৰোৱালখন নিখুঁত হৈ নুঠে, মই সেই কাম কৰিয়ে থাকিম। এই কথা ঠিক যে একেবাৰতে সেই কাম কেতিয়াও সম্ভৱো নহয়।"

কমাৰজন অলপ ৰ'ল, কিবা এটা চিন্তা কৰি দূৰলৈ চালে আৰু পুনৰ ক'বলৈ ধৰিলে,

"কেতিয়াবা কেতিয়াবা তীখাটুকুৰাই মোৰ এই কাৰ্যপ্ৰণালীৰ ভৰ বহন কৰিব নোৱৰা হয় আৰু উষ্ণতা, হাতুৰীৰ আঘাত, শীতল পানীৰ উপৰ্যুপৰি ক্ৰিয়াত সি ভাঙি যায়। তেতিয়া মই গম পাওঁ যে তাৰপৰা মোৰ আকাংক্ষিত বস্তুপদ কেতিয়াও প্ৰস্তুত হৈ নোলায়গৈ। তেতিয়া মই তাক মোৰ কমাৰশালৰ সমুখত থকা পেলনীয়া বস্তুৰ দ'মটোলৈ নিক্ষেপ কৰোঁ।"

অন্য এটা দীঘলীয়া বিৰতি লৈ কমাৰজনে সামৰিলে, "মই জানো যে ভগৱানেও মোক যন্ত্ৰণাৰ জুইৰ মাজেদিয়ে আগুৱাই লৈ গৈছে। জীৱনে দান দিয়া আঘাতবোৰ মই গ্ৰহণ কৰিবলগীয়া হৈছে আৰু কেতিয়াবা কেতিয়াবা তীখাটুকুৰাক শীতল পানীয়ে দিয়া কষ্টৰ দৰে জীৱনৰ শীতলতা আৰু নিৰ্লিপ্ততাও মই অনুভৱ কৰিবলগীয়া হৈছে, কিন্তু এই সকলোবোৰৰ মাজত মোৰ এটাই প্ৰাৰ্থনা : হে ভগৱান, মোক তুমি বিচৰামতে গঢ় দিবলৈ কৰা প্ৰচেষ্টা যেন অব্যাহত ৰাখা, আৰু সেই লক্ষ্যত উপনীত হ'বলৈ প্ৰয়োজনীয় বুলি ভবা সকলো উপায় যেন অৱলম্বন কৰা, কিন্তু মোক অনুপযুক্ত বুলি জ্ঞান কৰি বৰ্জিত আত্মাৰ দ'মলৈ নিক্ষেপ নকৰা।"

মূল : পাওলো কোৱেলহো
অনুবাদ : বিনয় মোহন শইকীয়া

## ভালপোৱা মোৰ

নাম নজনা ফুলবোৰৰ নিচিনাই মোৰ চেনেহ
সি, সাতোখন অৰণ্য পাৰ হৈ আহি
জপনাখন বগাব নোৱাৰি উচুপে

এখন পৰ্বত মই
মোৰ নিজান শব্দবোৰ
তোমাৰ চকুৰ ভাষাৰে লিখি
জিৰি-জিৰিকৈ ব'বলৈ এৰি দিওঁ

মই এজুপি গছ
মোৰ ছাঁ আৰু বা-লগা কবিতাবোৰ
তুমি চৰাই এটি হৈ
নৌপুৰাওতেই লৈ যোৱা দূৰ-দূৰণিলৈ

তোমাৰ সোণালী চুলিৰে যেতিয়া বতাহ কাটা
হাঁহিৰ বগা পাৰযোৰ তোমাৰ
যেতিয়া ধপ্‌ধপাই উৰি যায়
মোৰ মৰমে মোক কয় ঃ
'নাহৰৰ কেঁচুৱা-পাতবোৰেই তোমাৰ স্মৃতি
নিগেটিভ ফটোবোৰেই তোমাৰ সোঁৱৰণি'

কুঁৱলি, নিয়ৰ অথবা ৰামধেনুৰ পৱিত্ৰতাক
মোৰ ভালপোৱাই বুজিব পাৰেনে,
আমাৰ চাৰি চকুৰ চাৱনিয়ে
হেজাৰ চকুত চমক লগাব পাৰেনে?
তোমাৰ প্ৰেমক প্ৰাণৱন্ত কৰি তুলিবলৈকে
মই কওঁ ঃ
হয়, পাৰে।

—উদয় কুমাৰ শৰ্মা

## কবিতা

মাজৰাতি
ভাঁহি আহিল মাদলৰ মাত,
চিফুংবাহীৰ সুৰ।
গুম্‌গুমাই গ'ল
মোৰ কোঠাৰ বতাহ।

খিৰিকীৰ পৰ্দাবোৰ
কঁপি কঁপি উঠিল,
নাচি উঠিল চকী, মেজ, পানীৰ গিলাছ।
নাচি উঠিল কোঠাৰ এন্ধাৰ
মোৰ সহচৰ জন্ম মৃত্যু কাল।

দুচকুৰে বৈ আহিল ভৰুণ নদী।
ৰাতিৰ ৰেলৰ উকি ভাঁহি আহিল।
গৰুগাড়ীৰ টিলিঙাৰ মাত,
কেঁচ্ কেঁচ্ চকাৰ আৱাজ ভাঁহি আহিল।
ভাঁহি আহিল
এজাক কুকুৰৰ সুৰীয়া কোৱাল।
মোৰ কোঠাৰ সময়জনীৰ
দুচকুত চিকুণ টোপনি।
টোপনিত বিভোৰ হ'ল ৰাতিৰ আকাশ
পৰ্বত-পাহাৰ, জান-জুৰি-নৈ।
মই কেৱল সাৰে ৰওঁ
অবুজ সাঁথৰৰ পম খেদি।
হঠাতে দেখোন শুকাই গ'ল
দুচকুৰ ভৰুণ নদী।
পৰ্বতত জুই জ্বলিল।
নক্ষত্ৰ খহি পৰিল।
প্ৰাগৈতিহাসিক বৃক্ষ উভালি পৰিল।
স্তব্ধ হ'ল চকী-মেজ, ইথাৰ তৰঙ্গ
ত্ৰস্ত মোৰ সহচৰ জন্ম, মৃত্যু কাল।
বাজি বাজি ৰৈ গ'ল
সুদূৰৰ পিয়াসী ৰবীন্দ্ৰ গান।
গছবোৰ লঠঙা হ'ল,
বতাহ ধূসৰ হ'ল,
নৈপৰীয়া গীত বেসুৰা হ'ল।
আকাশ চুৰিবিদ্ধ হ'ল
কপৌৰ বুকুত লাগিল তেজৰ কবাল।
নিঃসংগ চিছিফাছৰ শিল
বাগৰি পৰিল।
ফিনিক্সজনীও পুৰি ছাৰখাৰ হ'ল।
অবুজ চিঞৰেৰে ভৰি পৰিল
মোৰ প্ৰাণৰ কোঠালি।
সাঁথৰৰ পম খেদা
মই হেনো কবি।
দুহাত প্ৰসাৰি শুনাব খোজো আজি
কবিতাৰ মাভৈবাণী।

—বীৰেন বেজ

## প্ৰত্যাশা

মোৰ হৃদয়ৰ
উদং পথাৰত
সিঁচি দিয়ক
নৱসূৰুয কিৰণৰ
এটি কোমল আভা।

উদিত দিনৰ
প্ৰতিটো খোজত
ফুলি উঠক
মোৰ উদং হৃদয়ত
এটি সূৰুযমুখী ফুল।

উজ্জীৱিত হওক
কুমলীয়া বতাহত
ফাগুনীয়া আকাশ
আৰু মোৰ হৃদয়ৰ
নিৰস পথাৰ।।

—নৰেশ্বৰ বসুমতাৰী

## ব'হাগৰ বাঁহীৰ সুৰ

দুখৰ পাল-তৰা নাৱেৰে
বহুদূৰ ভটিয়াই গৈছিল তেওঁ—
সাৰথি আছিল মাথোঁ
ঘূণে ধৰা বঠাডাল।

যোৱা ব'হাগৰ এটি মায়াবী নিশাত
কুলিটিৰ কণ্ঠৰ আকুলতাকো ভেদি
ক'ৰপৰা জানো ৰিণিৰিণিকৈ ভাঁহি আহিছিল
মিঠা-মিঠা, হিয়া জুৰ পৰা
এটি অচিনাকি বাঁহীৰ সুৰ...



কিয় জানোঁ,
সেই সুৰত তেওঁৰ হিয়াখনি
কঁপি উঠিছিল দুৰু-দুৰুকৈ

অজানিতেই জৰাজীৰ্ণ বঠাডালেৰে
ভটিয়নী পানীৰ ঢৌ ঠেলি
দুখৰ পালতৰা তেওঁৰ নাওখনি
আগবাঢ়িছিল সিপাৰলৈ...

এতিয়া, সেই বাঁহীৰ সুৰ...
তেওঁৰ নিচেই চিনাকি


এইব'হাগত
সৌৱা,
এখন ৰঙীণ পালতৰা নাৱেৰে
তেওঁ উজাই আহি আছে
সেই চিনাকি সুৰটি বুকুত সাৱটি...

—অৰুন্ধতী দেৱী

## সুন্দৰৰ আলি-পদূলিৰে

সুন্দৰৰ আলি-পদূলি ফেনেকি
লৰি-ঢাপৰি ভাগৰি পৰিলা নেকি হে সুধাকণ্ঠ?
তুমি গাইছিলা
"সাগৰ সংগ্ৰামত কতনা সাঁতুৰিলোঁ
তথাপিতো হোৱা নাই ক্লান্ত;"...
ভাবিছিলোঁ তুমি ক্লান্ত নোহোৱা কাহানিও
ভাবিছিলোঁ "ভাগি পৰা পঁজাটিৰ"
নিঃকিন কৃষকৰ জাৰত ঠেৰেঙা লগা দেহৰ
উমাল উত্তাপ হৈ
"নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত" হাৰ নামানি
লুইতৰ পাৰ জিলিকাই যাবা,
পিছে কাল নিয়তিৰ হাতত
তুমিও হাৰ মানিলা,
শুই পৰিলা তুমি কেতিয়াও সাৰ নাপাবলৈ,
তুমি মাথো স্মৃতি হ'লা, হ'লা অনুভৱ,
তুমি তেনেকৈয়ে থাকা,
প্ৰতি অসমীয়াৰ প্ৰাণে প্ৰাণে
সাহৰ সঁফুৰা হৈ
প্ৰেৰণাৰ উৎস হৈ থাকা।

—মহেন্দ্ৰ খনিকৰ



## ব'হাগৰ—'বিজুলী"

নাহৰ ফুলিল কপৌ ফুলিল
পলাশ ফুলিল ডালত।
ব'হাগত বিহু আহিল
কুলিৰ অমিয়া মাতত।।
সাজি কাচি 'বিজুলী' আহিল
ৰঙতে ৰাঙলী হৈ।
পৰিষদে যুগুতাই থোৱা
আঁচনিবোৰ লৈ।।
বিহু পাতে ৰাতি মঞ্চত
নাচনি নাচে পোহৰত।
পোহৰ যদি নাথাকে
বিহু নহয় আন্ধাৰত।।
কোনে বাৰু পোহৰ বিলাব
গাঁও নগৰ চহৰত।
পৰিষদে পোহৰাব
বিজুলীৰ আধাৰত।।
পৰিষদৰ আঁচনিবোৰ
এই "বিজুলী"ত পাব।
কি কৰিছে কি কৰিব
এই "বিজুলী"য়ে ক'ব।।
নতুন নতুন আঁচনিয়ে
পৰিষদৰ উন্নতি সাধক।
যাত্ৰা পথত "বিজুলী"
অমৰ হৈ থাকক।।

—লক্ষী গগৈ

## বসন্তৰ চাকনৈয়াত

শীতৰ শেষত যেতিয়া
বসন্তই ফেঁহুজালি দিলে
উৰুঙা বতাহজাকে
মোক ঘূৰাই লৈ ফুৰিলে

চেঁচা হৈ পৰা আঙুলিবোৰ
বতাহৰ গোন্ধত সাৰ পাই উঠিল
দেও-উঁৱিকৰ দৰেই মাজহাবিলৈ
বিচাৰি গ'লো কেতেকী

কিনো আহে যায়
দিন বাগৰি যায়
সময়চোন নাহে ঘূৰি

বতাহৰ চাকনৈয়াই পালে মোক
দিক্‌বিদিক বিচাৰি
কেতেকী নাপালো
কপৌও নাপালো
সাজ লাগি ভাগোতে
এন্ধাৰতে মুখ থেকেচা খালো

বসন্তৰ ৰাতিবোৰ এনেকৈয়ে পাৰ কৰি
গমেই নাপালো
কেতিয়াযে বৰষাৰ হাতত ধৰিলো !

—প্ৰণৱ শৰ্মা

## নতুন অংগীকাৰ ব'হাগৰ

শতাব্দীৰ প্ৰাচীৰ ভাঙি
অসমীয়া জাতিৰ সংস্কৃতিৰ ৰূপৰেখা
হিয়াৰ আমঠু, বাপতি সাহোন
জীৱনৰ সংজ্ঞা ব'হাগৰ বিহুটি
ম্লান হৈ পৰিছে ৰঙালীৰ ৰং-ৰূপ।
ম'হঘূলি চাপৰিত ডেকা-গাভৰুৰ
কঁকালত নাই বল টাকুৰী ঘূৰাদি নাচ
পাহোৰাল ডেকাৰ বাহুত নাই শকতি
নাপাতে সিহঁতে প্ৰেম ভালপোবা
বিহুটি আদৰৰ, যন্ত্ৰ-যান্ত্ৰিকতাই
কৰিছেহি গ্ৰাস, নতুন সমাজ
বানে গৰকা গাঁওখনত এতিয়াও
নিশাৰ এন্ধাৰৰ ত্ৰাস,
তথাপিতো হে নৱ প্ৰজন্ম,
কঁকালত টঙালি বান্ধি,
মাৰ বান্ধা ভেটিবলৈ বৰ লুইতক
ঘূৰাই আনিবলৈ, ৰঙালীৰ ৰং
বোঁৱতী সুঁতিৰ সৃষ্টিশীলতা
অসমীয়া জাতিৰ হৰ্ষ মিলনৰ
প্ৰেম গাঁথা।

—প্ৰাণকৃষ্ণ তালুকদাৰ



*Players of inter-company tournament organised by ASEB sports club on 31-03-13 at ASEB High School playground Narengi*




১৭-১৯ জানুৱাৰী, ২০১৩ত যোৰহাটত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ প্ৰশিক্ষণ।



লামডিঙত এক বিদ্যুৎ অভিযোগ কেন্দ্ৰ মুকলি কৰিছে উপ মহাপ্ৰবন্ধক শ্ৰীঅমৰ ভাগৱতীয়ে।



নামৰূপ তাপবিদ্যুৎ প্ৰকল্পত ২৬ জানুৱাৰীৰ পতাকা উত্তোলন।



উজনি অসম ক্ষেত্ৰৰ মুখ্য মহাপ্ৰবন্ধকৰ কাৰ্যালয়ত (বিজুলী ভৱন গুৱাহাটী-১) কৰ্মৰত শ্ৰীহিৰণ্য দাসে ইতিমধ্যে সদৌ অসম ভিত্তিত অনুষ্ঠিত দবা (প্ৰবীণ) প্ৰতিযোগিতাত ২০১০ চনত প্ৰথম স্থান আৰু ২০১১ আৰু ২০১২ চনত দ্বিতীয় স্থান লাভ কৰিছে। তেওঁৰ ৰাষ্ট্ৰীয় ৰেংকিং হ'ল ১৭৬৪ আৰু বিশ্ব ৰেংকিং ৬৭৫০৩।

**ঃ সম্পাদনা সমিতি ঃ**

শ্ৰীবিনয় মোহন শইকীয়া, *সভাপতি*
শ্ৰীঅভিজিত শৰ্মা বৰুৱা, *আহ্বায়ক সদস্য*
শ্ৰীচন্দ্ৰ মুদৈ, *সদস্য*
শ্ৰীদীপাংকৰ দিহিঙীয়া, *সদস্য*

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ হৈ শ্ৰীবিনয় মোহন শইকীয়াৰদ্বাৰা প্ৰকাশিত, বিজুলী ভৱন, গুৱাহাটী-১। (E-mail : bijulee.aseb@gmail.com)
শৰাইঘাট অফছেট প্ৰেছ, বামুণীমৈদাম, গুৱাহাটী-২১ত মুদ্ৰিত।